# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি পুৰা দুদিনীয়া ভ্ৰমণসূচীৰে ইজৰাইললৈ ৰাওনা হয়।

২। ভাৰত আৰু ইজৰাইলে সকলোধৰণৰ সন্ত্ৰাসবাদক দ্বৈৰ্থহীনভাৱে গৰিহণা দিছে।

৩। উচ্চতম ন্যায়ালয়ে অষ্টম শ্ৰেণীৰ এন চি আৰ টি পাঠ্যক্ৰমত ন্যায়ালয়ত দুৰ্নীতি সম্পৰ্কে উল্লেখ কৰাৰ বিষয়টোক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে।

৪। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত পুছা কৃষি বিজ্ঞান মেলা মুকলি কৰে।

আৰু

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত শ্ৰীলংকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি পুৰা দুদিনীয়া ভ্ৰমণসূচীৰে ইজৰাইললৈ ৰাওনা হয়। এয়া প্ৰধানমন্ত্ৰী মোদীৰ দ্বিতীয় ইজৰাইল ভ্ৰমণ। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদী আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুৱে ভাৰত-ইজৰাইল কৌশলগত সহযোগিতা অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। তেওঁলোকে লগতে বিজ্ঞান আৰু প্ৰযুক্তি, উদ্ভাৱন, প্ৰতিৰক্ষা আৰু সুৰক্ষা, কৃষি, জলব্যৱস্থাপনা, বাণিজ্য-অৰ্থনীতি আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰ সুযোগ সম্পৰ্কে আলোচনা কৰিব। প্ৰধানমন্ত্ৰীদ্বয়ে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈও মত বিনিময় কৰিব। ইজৰাইলত ভাৰতৰ ৰাষ্ট্ৰদূত জে পি সিঙে আমাৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰী মোদীয়ে আজি ইজৰাইলৰ সাংসদ কেনছেটক উদ্দেশি ভাষণ দিব। শ্ৰীমোদীয়ে কাইলৈ ইজৰাইলৰ ৰাষ্ট্ৰপতি ইছহাক হৰ্জোগক সাক্ষাৎ কৰিব।

ইজৰাইললৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ এই দুদিনীয়া ভ্ৰমণে উভয় দেশৰ মাজৰ সম্পৰ্কৰ এনাজৰী অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে এই ভ্ৰমণে কৌশলগত সহযোগিতাৰ নতুন লক্ষ্য নিৰ্ধাৰণ আৰু উভয় দেশৰ বাবে বহনক্ষম, উদ্ভাৱনমুখী আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ দৃষ্টিভংগী আগুৱাই নিয়াত সহায় কৰিব। তেওঁ কয়, যে ভাৰত আৰু ইজৰাইলৰ মাজত শক্তিশালী আৰু বহুমুখী কৌশলগত সম্পৰ্ক আছে আৰু বিগত কেইটামান বছৰত এই সম্পৰ্ক অধিক গতিশীল হৈ উঠিছে। শ্ৰী মোদীয়ে কয়, যে তেওঁ ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুৰ সৈতে হ'বলগীয়া আলোচনাৰো আগ্ৰহেৰে বাট চাই আছে। এই আলোচনাত বিভিন্ন ক্ষেত্ৰত উভয় দেশৰ মাজৰ সহযোগিতা অধিক সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে।

ইপিনে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়োদেশৰ মাজৰ পুৰণি কৌশলগত সহযোগিতা অধিক গভীৰ কৰি তুলিব আৰু উমৈহতীয়া প্ৰত্যাহ্বানসমূহৰ পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰিব। এই ভ্ৰমণে উমৈহতীয়া দৃষ্টিভংগী বিষয়ক প্ৰচেষ্টা অধিক শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰিব বুলিও মন্তব্য কৰিছে।

০০০০০০০০০

ভাৰত আৰু ইজৰাইলে সকলোধৰণৰ সন্ত্ৰাসবাদক দ্বৈৰ্থহীনভাৱে গৰিহণা দিছে। কালি নতুন দিল্লীত অনুষ্ঠিত ভাৰত আৰু ইজৰাইলৰ সন্ত্ৰাসবাদ প্ৰতিৰোধ বিষয়ক যুটীয়া কাৰ্যকৰ্তাৰ বৈঠকত উভয় দেশে সন্ত্ৰাসবাদক মষিমুৰ কৰাৰ বাবে বহনক্ষম, সৰ্বাত্মক আৰু দৃঢ় ব্যৱস্থাৰ প্ৰয়োজন বুলি মত পোষণ কৰে। বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সন্ত্ৰাসবাদ প্ৰতিৰোধ শাখাৰ যুটীয়া সচিব ড° বিনোদ বাহাড়ে ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্ব বহন কৰে আৰু ইজৰাইলৰ বিদেশ মন্ত্ৰালয়ৰ কৌশলগত পৰিক্ৰমা শাখাৰ মুৰববী নাদৰ এছ্ আৰে ইজৰাইলী পক্ষৰ গুৰি ধৰে।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ে অষ্টম শ্ৰেণীৰ এন চি আৰ টি পাঠ্যক্ৰমত ন্যায়ালয়ত দুৰ্নীতি সম্পৰ্কে উল্লেখ কৰাৰ বিষয়টোক নিজাববীয়াকৈ বিবেচনা কৰি ইয়াক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত আৰু ন্যায়াধীশ জয়মাল্য বাগ্‌চি আৰু বিপুল এম পাঞ্চোলীক লৈ গঠিত এখন বিচাৰপীঠে বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰে। জ্যেষ্ঠ অধিবক্তা কপিল চিবালে ন্যায়ালয়ৰ আগত কয়, যে অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক ন্যায়ালয়ত দুৰ্নীতিৰ বিষয়ে পঢ়োৱা হৈছে আৰু এয়া সঁচাকৈয়ে চিন্তাৰ বিষয়।

ন্যায়াধীশ বাগ্‌চিয়ে কয়, যে এই বিষয়বস্তু সংবিধানৰ বুনিয়াদী পৰিকাঠামোৰ পৰিপন্থী যেন অনুমান হয়। মুখ্য ন্যায়াধীশ সূৰ্যকান্তই কয়, যে উকীল সন্থা আৰু বিচাৰপীঠ উভয় বিষয়টোক লৈ চিন্তিত। তেওঁ কয়, যে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলেও অশান্তিত ভুগিছে। বিচাৰপীঠখনে লগতে কাকোৱে ন্যায়পালিকাক বদনাম কৰাৰ অনুমতি দিয়া নহ'ব বুলি স্পষ্ট কৰি দিয়ে। অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ নতুন এন চি আৰ টি পাঠ্যক্ৰমত দুৰ্নীতি, বিচাৰাধীন গোচৰৰ বোজা আৰু ন্যায়াধীশৰ অভাৱক ন্যায় প্ৰণালীৰ বৃহৎ প্ৰত্যাহ্বানসমূহৰ অন্যতম বুলি উল্লেখ কৰা হৈছে।

০০০০০০০০০

অন্ধ্ৰপ্ৰদেশৰ প্ৰধানমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে আজি ৰাজ্যখনৰ শ্ৰীকাকুলামত সৃষ্টি হোৱা ডায়েৰিয়াৰ প্ৰাদুৰ্ভাৰ আৰু ৰাজাহুন্দ্ৰিত সংঘটিত গাখীৰৰ বিষক্ৰিয়াৰ পৰ্যালোচনা চলায়। সংশ্লিষ্ট বিষয়াসকলক এই বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰাৰ লগতে বিভাগসমূহক সহযোগিতাৰে কাম কৰাৰ বাবে আহ্বান জনায়। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে, ডায়েৰিয়াত আক্ৰান্ত ৭৬গৰাকী লোক সম্প্ৰতি বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে আৰু তেওঁলোকৰ অৱস্থা বৰ্তমান সুস্থিৰ। প্ৰশাসনে নলযোগে পানী যোগান বন্ধ কৰিছে আৰু জনসাধাৰণে যাতে স্বচ্ছ খোৱাপানী লাভ কৰে তাৰ বাবে বিকল্প ব্যৱস্থা গ্ৰহণ কৰিছে। গাখীৰৰ বিষক্ৰিয়াৰ সন্দৰ্ভত প্ৰশাসনে কয়, যে এই ঘটনাৰ ভুক্তভোগীসকলৰ চিকিৎসা অব্যাহত আছে আৰু গাখীৰৰ নমুনা পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত পুছা কৃষি বিজ্ঞান মেলা মুকলি কৰে। এই উপলক্ষে শ্ৰী চৌহানে কয়, যে চৰকাৰে কৃষকসকলৰ বাবে সাৰৰ উপলভ্যতা সুগম কৰি তোলাৰ লগতে ভেজাল কীটনাশকৰ বিক্ৰী নিয়ন্ত্ৰণ কৰাৰ বাবে কাম কৰি আছে আৰু কৃষকসকলৰ বাবে ঋণ সুলভ কৰি তোলাৰ উদ্দেশ্যে

অচিৰেই কৃষক পৰিচয় ব্যৱস্থা প্ৰৱৰ্তন কৰিব। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত কৃষকসকলক প্ৰায় ১ লাখ ৯২ হাজাৰ কোটি টকা প্ৰদান কৰা হৈছে।

বাইট

কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত সমন্বিত প্ৰচেষ্টাৰ পোষকতা কৰি শ্ৰী চৌহানে কয়, যে এই মেলা কৃষিৰ বাবে মহাকুম্ভস্বৰূপ হোৱা উচিত। এই দুদিনীয়া মেলাত কৃষকৰ উৎপাদিত সামগ্ৰী আৰু কৃষিৰ লগত জড়িত উদ্ভাৱন প্ৰদৰ্শন কৰা হৈছে।

ooooooooo

মণিপুৰৰ মুখ্যমন্ত্ৰী য়মুনাম খেমচান্দে কালি নতুন দিল্লীৰ সেৱা তীৰ্থত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক সাক্ষাৎ কৰে। শ্ৰীখেমচান্দেৰ সৈতে ৰাজ্যখনৰ উপ মুখ্যমন্ত্ৰীদ্বয় নেমচা কিপগেন আৰু লোচি ডিখোও প্ৰধানমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে, যোৱা ৪ ফেব্ৰুৱাৰীত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীখেমচান্দে কালি প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰে। বৈঠকত ৰাজ্যখনলৈ শান্তি আৰু সম্প্ৰীতি পৰিবেশ ঘূৰাই অনাৰ বাবে ৰাজ্য চৰকাৰখনে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ পদক্ষেপ সন্দৰ্ভত প্ৰধানমন্ত্ৰীক অৱগত কৰোৱা হয়। মণিপুৰৰ মুখ্যমন্ত্ৰীৰ প্ৰতিনিধি দলটোৱে প্ৰধানমন্ত্ৰীক ৰাজ্যখন ভ্ৰমণ কৰাৰ বাবে আমন্ত্ৰণো জনায়।

ooooooooo

গাৰো পাৰ্বত্য স্বায়ত্তশাসিত জিলা পৰিষদৰ সমাগত সাধাৰণ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি দক্ষিণ-পশ্চিম গাৰো পাৰ্বত্য জিলা প্ৰশাসনে জিলাখনত অস্ত্ৰ-শস্ত্ৰৰ অনুজ্ঞাপত্ৰ থকা লোকসকলক তেওঁলোকৰ সকলো অস্ত্ৰ-শস্ত্ৰ জমা দিয়াৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। ৰাজহুৱা শান্তি শৃংখলা বজাই ৰখাৰ লগতে মুক্ত, নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই নিৰ্দেশনা পালন নকৰা সকলৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

ooooooo

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ-টুৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত শ্ৰীলংকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত খেলখন আৰম্ভ হ'ব।

ইপিনে, ইংলেণ্ডে যোৱানিশা ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত পাকিস্তানক ২ উইকেটত পৰাস্ত কৰি প্ৰথমটো দল হিচাপে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে। খেলখনত ইংলেণ্ডে ১৬৫ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ৫টা বল খেলিবলৈ বাকী থকা অৱস্থাত ৮টা উইকেটৰ বিনিময়ত বিজয় সাব্যস্ত কৰে। অধিনায়ক হেৰি ব্ৰুকে ৯১টা বলত ১০০ ৰান কৰি দলৰ জয়ত অনবদ্য বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে পাকিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৬৪ ৰান সংগ্ৰহ কৰে। ছাহিবজাদা ফাৰহানে ৬৩ ৰান কৰাৰ বিপৰীতে শ্বাহিন আফ্ৰিদিয়ে দলটোৰ হৈ ৩টা উইকেট দখল কৰে। ইংলেণ্ডৰ হৈ লিয়াম ড'ছনে ৩টা উইকেট দখল কৰে।

oooooooo

সমাপ্ত